জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২২৭/২০২২**

# তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ খালী পদৰ নিযুক্তিৰ সন্দৰ্ভত বৈঠক

## ২১ আৰু ২৮ আগষ্টত অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা নিকা আৰু স্বচ্ছভাৱে অনুষ্ঠিত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১০ আগষ্ট ঃ** তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদ পূৰণৰ বাবে অনুষ্ঠিত হ'বলগীয়া পৰীক্ষা সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত এক বৈঠক অনুষ্ঠিত হয়।

উল্লেখ্য যে অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ৰ দ্বাৰা এই পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ২১ আগষ্টত চতুৰ্থ বৰ্গৰ আৰু অহা ২৮ আগষ্টত তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত হ'ব। আনহাতে ৰাজ্যখনৰ ২৪ খন জিলাত চতুৰ্থ বৰ্গৰ আৰু ২৫ খন জিলাত তৃতীয় বৰ্গৰ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব।

বৈঠকত মুখ্যমন্ত্ৰীয়ে সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ শীৰ্ষ বিষয়াসকলক লিখিত পৰীক্ষাৰ দিনা যাতে কোনো ধৰণৰ অনিয়ম সংঘটিত নহয়, তাৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মোবাইল ফোন আদি সামগ্ৰী লৈ কোনো প্ৰাৰ্থীয়ে যাতে পৰীক্ষা গৃহত প্ৰৱেশ কৰিব নোৱাৰে সেইটো সুনিশ্চিত কৰিবলৈ গৃহ আৰু ৰাজনৈতিক বিভাগৰ বিষয়াসকলক তেওঁ নিৰ্দেশ দিয়ে। আনহাতে, মুখ্যমন্ত্ৰীয়ে আৰক্ষী সঞ্চালক প্ৰধানগৰাকীক প্ৰতিখন জিলাতে আৰক্ষী অধীক্ষক পৰ্যায়ৰ এগৰাকী বিষয়াক জিলাখনৰ সকলো পৰীক্ষা কেন্দ্ৰৰ সুৰক্ষাৰ সামগ্ৰিক দায়িত্ব প্ৰদানৰ বাবেও কয়। তেওঁ লগতে প্ৰতিটো কেন্দ্ৰতে উপ-পৰিদৰ্শক পৰ্যায়ৰ একো একোগৰাকী বিষয়াক দায়িত্ব দিবলৈ নিৰ্দেশ দিয়ে। অসৎ উপাই অবলম্বন কৰা, উৰা বাতৰি বিয়পোৱা দৰে প্ৰথাৰ আশ্ৰয় লোৱা সকলৰ বিৰুদ্ধে তেওঁ শূন্য সহনশীল নীতি গ্ৰহণ কৰিবলৈ কয়।

নিকা নিযুক্তি প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্বাচিত হোৱা মেধা সম্পন্ন যুৱক-যুৱতীসকলে ৰাজ্যখনৰ চৰকাৰী প্ৰশাসন ব্যৱস্থাটোৰ লক্ষ্যণীয় পৰিৱৰ্তন সাধন কৰিব পাৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কঠোৰ পৰিশ্ৰমৰ দ্বাৰা চাকৰি লাভ কৰা প্ৰাৰ্থীসকলে শ্ৰমৰ মৰ্যাদা সঠিকভাৱে উপলব্ধি কৰিব পাৰিব। এনে প্ৰাৰ্থীসকলে কৰ্তব্যৰ প্ৰতি সচেতন হোৱাৰ লগতে অনৈতিক কাৰ্যৰ পৰা বিৰত থাকিব বুলিও তেওঁ কয়।

আজিৰ এই বৈঠকত আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, ৰাজ্য চৰকাৰৰ শীৰ্ষ প্ৰশাসনিক আৰু আৰক্ষী বিষয়া তথা ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ বিষয়াসকল উপস্থিত থাকে।

আয়ন / পুঃডেঃ
**১০/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in